**নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)**

অসমীয়া বিভাগ

ডাকঘৰ ঃ খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

**লক্ষীমপুৰ বালিকা মহাবিদ্যালয়**

অসমীয়া বিভাগ

ডাকঘৰ ঃ খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

# বুজাবুজিৰ চুক্তি
# (Memorandum of Understanding)

এই বুজাবুজিৰ চুক্তি নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগ আৰু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মাজত সম্পন্ন কৰা হৈছে।

**বিৱৰণ**

নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগ আৰু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগ নিম্নলিখিত বিৱৰণ অনুসৰি কাম কৰিবলৈ চুক্তিবদ্ধ হয়—

**১.০০ বুজাবুজিৰ চুক্তি সম্পন্ন কৰাৰ কাৰণ ঃ**

১.০১ দুয়ো পক্ষৰ মাজত শৈক্ষিক আৰু গৱেষণামূলক কাম কাজৰ বিনিময় কৰিব পাৰিব।

১.০২ এটা পক্ষই শৈক্ষিক আৰু গৱেষণামূলক কামৰ উদ্যোগ ল'লে আনটো পক্ষই সহযোগ কৰিব পাৰিব।

১.০৩ দুয়োটা পক্ষই যুটীয়াকৈ গ্ৰন্থ প্ৰকাশ, আলোচনা-সত্ৰৰ আয়োজন আদি কাম কৰিব পাৰিব।

**২.০০ ম্যাদ ঃ**

২.০১ এই চুক্তিৰ সময়সীমা অক্টোবৰ, ২০২১ৰপৰা ছেপ্টেম্বৰ, ২০২৬লৈ পাঁচ বছৰৰ বাবে বাহাল থাকিব।

**৩.০০ বৈঠক আৰু সিদ্ধান্ত ঃ**

৩.০১ যিকোনো কাৰ্যসূচী ৰূপায়নৰ বাবে দুয়োপক্ষৰ যুটীয়া বৈঠক অনুষ্ঠিত হ'ব।

৩.০২ জৰুৰী সময়ত চুক্তিত স্বাক্ষৰকাৰীসকলে কোনো কাৰ্যসূচীৰ বাবে সিদ্ধান্ত ল'ব পাৰিব। পৰৱৰ্তী বৈঠকত বিষয়টো অনুমোদন কৰাব লাগিব। সকলো কাৰ্যৰ তথ্য সংৰক্ষণৰ বাবে এখন কাৰ্যবিৱৰণী লিখা হ'ব।

**৪.০০ আৰ্থিক প্ৰসংগ ঃ**

৪.০১ আৰ্থিক খৰছৰ প্ৰয়োজন থকা কাৰ্যসূচীৰ বাবে চৰকাৰী বা বেচৰকাৰী সংস্থাৰপৰা পৃষ্ঠপোষকতা বিচৰাৰ সুবিধা থাকিব।

৪.০২ দুয়োপক্ষৰ পুঁজি ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

৪.০৩ যিকোনো এটা পক্ষৰ পুঁজিৰ ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

**৫.০০ চুক্তিভংগ ঃ**

৫.০১ কোনো এটা পক্ষই আনটো পক্ষৰ কাম-কাজত অসন্তুষ্ট হ'লে অভিযোগ উত্থাপন কৰিব পাৰিব। অভিযোগ গ্ৰহণৰ কৰ্তৃত্ব কেৱল নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ আৰু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষৰহে থাকিব। অভিযোগ নিষ্পত্তি নহ'লে ম্যাদ সম্পূৰ্ণ নোহোৱাকৈ চুক্তি ভংগ কৰিব পাৰে।

৫.০২ আন যিকোনো জৰুৰী কাৰণত চুক্তি ভংগ হ'ব পাৰে। তাৰবাবে যুটীয়া বৈঠক অনুষ্ঠিত হ'ব লাগিব।

৬.০০ আইনগত দিশ ঃ

৬.০১ দুয়োপক্ষই যিকোনো আইনগত কাম লখিমপুৰ ন্যায়ালয়ত সম্পন্ন কৰিব।

৭.০০ যোগাযোগৰ ঠিকনা ঃ

যিকোনো যোগাযোগ তলৰ ঠিকনা দুটাত সম্পন্ন হ'ব —

প্ৰতি ঃ মুৰব্বী, অসমীয়া বিভাগ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

প্ৰতি ঃ মুৰব্বী, অসমীয়া বিভাগ, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

৮.০০ ব্যক্তি, যাৰ লগত যোগাযোগ কৰিব ঃ

নৰ্থ লখিমপুৰ কলেজ ঃ ড° অৰবিন্দ ৰাজখোৱা, মুৰব্বী, অসমীয়া বিভাগ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত), ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১, ফোন ঃ +৯১-৯৪৩৫১-৮৯১৭৪, ইমেইল ঃ arabindarajkhowa2011@gmail.com

........................................................

লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ঃ হিৰণ্য সভাপণ্ডিত, মুৰব্বী, অসমীয়া বিভাগ, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়, ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১, ফোন ঃ +৯১-৮৪৮৬৭-৯৭৮৩৩

**স্বাক্ষৰ**

নৰ্থ লখিমপুৰ কলেজৰ হৈ—
(ক) ড° বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ

স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ, ০৬-১০-২০২১

Principal
North Lakhimpur College
(Autonomous)
North Lakhimpur (Assam)

(খ) ড° অৰবিন্দ ৰাজখোৱা, মুৰব্বী, অসমীয়া বিভাগ

স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ, ০৬-১০-২০২১

HoD. Dept. of Assamese
North Lakhimpur College
(Autonomous)

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ হৈ—
(ক) ড° সুৰজিৎ ভূঞা, অধ্যক্ষ

Principal
Lakhimpur Girls' College
North Lakhimpur, Assam

স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ, ০৬-১০-২০২১

(খ) হিৰণ্য সভাপণ্ডিত, মুৰব্বী, অসমীয়া বিভাগ

স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ, ০৬-১০-২০২১

H. O. D.
Deptt. of Assamese
Lakhimpur Girls' College
North Lakhimpur, Assam